[২০০৯] ১৫ (অতিৰিক্ত)এছ.চি.আৰ. ৯৪৭

**ৰাম ভৰোছে**

**বনাম**

**উত্তৰ প্ৰদেশ ৰাজ্য**

(ফৌজদাৰী আপীল নং১০৫৯/২০০৫)

১৭ নৱেম্বৰ ,২০০৯

[বি. সুদৰ্শন ৰেড্ডী আৰু জে.এম.পাঞ্চাল,ন্যায়াধীশ]

দণ্ডবিধি আইন, ১৮৬০-ধাৰা ৩০২- হত্যা-ফৰিয়াদী পক্ষৰ গোচৰটো এয়ে যে অভিযুক্তই আগ্নেয়াস্ত্ৰৰ দ্বাৰা মৃতকৰ ওপৰত মাৰাত্মক আঘাত কৰে-নিম্ন আদালতৰ দ্বাৰা ধাৰা ৩০২ৰ অধীনত দোষী সাব্যস্তকৰণ আৰু আজীৱন কাৰাদণ্ডৰ  দণ্ডাজ্ঞা--যুক্তিযুক্ততা – ৰায়দানঃ ন্যায়সংগত - উচ্চ ন্যায়ালয়ে নথিভুক্ত প্ৰাসংগিক সাক্ষ্য যত্নসহকাৰে বিশ্লেষণ, মূল্যায়ন আৰু আলোচনা কৰাৰ পিছত অভিযুক্তৰ দোষী সাব্যস্তকৰণ বাহাল ৰাখে – ফৰিয়াদী পক্ষৰ গোচৰটো সন্তোষজনকভাৱে প্ৰতিপন্ন হয় - মৃতক কোনো নিৰ্দিষ্ট স্থানলৈ আহিব বুলি অভিযুক্তজনৰ জ্ঞান আছিল বুলি প্ৰমাণ কৰিবলৈ ফৰিয়াদী পক্ষ বিফল হোৱাৰ বাবে কোনো ফলাফল প্ৰাপ্ত নহ'ল- মৃতকৰ ঘনিষ্ঠ আত্মীয় হোৱা বাবেই সাক্ষীসকলক স্বাৰ্থজড়িত সাক্ষী হিচাপে শ্ৰেণীভুক্ত কৰিব নোৱাৰি-অভিযুক্তৰ পৰিচয় বিতৰ্কিত নহয়, সেয়েহে, কোনো সুবিধাৰ অধিকাৰী নহয়-ফৌজদাৰী কাৰ্যবিধি আইন, ১৯৭৩-ধাৰা ৩৭৪।

এই আপীলত বিবেচনাৰ বাবে উত্থাপন হোৱা প্ৰশ্নটো এয়ে আছিল যে

আপীলকাৰী-অভিযুক্তক ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ৰ অধীনত দোষী সাব্যস্ত কৰাৰ ক্ষেত্ৰত আৰু আজীৱন কাৰাদণ্ডৰে দণ্ডিত কৰাৰ ক্ষেত্ৰত অধীনস্থ ন্যায়ালয়ৰ ৰায় ন্যায়সংগত আছিল নে নাই ।

এই আপীল খাৰিজ কৰি ন্যায়ালয়ে এইদৰে ৰায়দান কৰেঃ

(১.১) ফৌজদাৰী কাৰ্যবিধি আইন, ১৯৭৩-ৰ ধাৰা ৩৭৪ৰ অধীনত দাখিল কৰা ফৌজদাৰী আপীলৰ সিদ্ধান্ত লোৱাৰ সময়ত উচ্চ ন্যায়ালয়ে গোচৰটোৰ সকলো মৌখিক আৰু নথি সমৰ্থিত সাক্ষ্য পুংখানুপুংখভাৱে অধ্যয়ন কৰিব লাগে আৰু ইয়াৰ ভিত্তিতহে সিদ্ধান্ত গ্ৰহণ কৰা উচিত [দফা ৭] [৯৫৫-বি-চি]

(১.২) আপীলৰ বিতৰ্কিত ৰায়টোৱে সূচায় যে নথিভুক্ত প্ৰাসংগিক সাক্ষ্য সন্দৰ্ভত সযত্নে বিশ্লেষণ, মূল্যায়ন আৰু আলোচনা কৰাৰ পিছত আপীলকাৰীৰ দোষী সাব্যস্তকৰণ নিশ্চিত কৰা হৈছে। ফৰিয়াদী পক্ষই আঠগৰাকী সাক্ষী উপস্থাপন কৰাৰ বিপৰীতে পদকীয়া পক্ষই তিনিগৰাকী সাক্ষী উপস্থাপন কৰিছিল বুলি লক্ষ্য কৰাৰ পিছত উচ্চ ন্যায়ালয়ে প্ৰাসংগিক সাক্ষীসকলৰ সাক্ষ্যৰ বিষয়ে আলোচনা কৰিছিল।উচ্চ ন্যায়ালয়ে প্ৰদান কৰা ৰায়টোৱে এইটোও স্পষ্ট কৰি দিয়ে যে আপীলকাৰী আৰু অন্যান্যসকলৰ অধিবক্তাই উচ্চ ন্যায়ালয়ৰ বিবেচনাৰ বাবে তিনিটা বিষয় উত্থাপন কৰিছিল। উক্ত বিষয়কেইটা উচ্চ ন্যায়ালয়ে কাৰ্যকৰীভাৱে আলোচনা কৰাৰ লগতে মোকাবিলা কৰিছিল। উচ্চ ন্যায়ালয়ত কৰা আপীলত দুটা যুক্তি উপস্থাপন কৰা হৈছিল আৰু ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ আৰু আনুষংগিক ধাৰা ৩৪ৰ অধীনত দোষী সাব্যস্ত হোৱা তিনিজন অভিযুক্তক দোষমুক্ত কৰা হৈছিল। উচ্চ ন্যায়ালয়ে তিনিজন

অভিযুক্তক দোষমুক্ত কৰাটোৱে নথিভুক্ত সাক্ষ্য সাপেক্ষে ইয়াৰ দৃষ্টিভংগী প্ৰকট কৰাটো সূচায়। [দফা ৭] [৯৫৫-চি-জি]

(১.৩) আপীল বা পুনৰীক্ষণৰ স্মাৰক পত্ৰত, কেইবাটাও ভিত্তি লোৱা হয়/উপস্থাপন কৰা হয় কিন্তু যুক্তি উপস্থাপনৰ সময়ত অধিবক্তাগৰাকীয়ে সৰ্বশ্ৰেষ্ঠ বুলি বিবেচনা কৰা কেইটামান বিষয়ৰ ভিতৰতহে নিজকে সীমাবদ্ধ ৰাখিব লাগিব আৰু কেৱল সেই বিষয়কেইটা বিবেচনা কৰিবলৈ আদালতক অৱগত কৰিব লাগিব। বিশেষ অনুমোদন আবেদনৰ স্মাৰকপত্ৰত আপীলকাৰীয়ে এইবুলি কোনো অভিযোগ উত্থাপন কৰা নাছিল যে কিছুমান বিষয় আহ্বান কৰা হৈছিল কিন্তু এয়া উচ্চ ন্যায়ালয়ে বিবেচনা কৰা নাছিল। যিহেতু আপীলকাৰী আৰু অন্যান্যসকলৰ অধিবক্তাই উচ্চ ন্যায়ালয়ৰ আগত তিনিটা বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল, সেয়ে সেই বিষয়কেইটা বিবেচনা কৰাৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয় ন্যায়সংগত আছিল আৰু আপীলৰ স্মাৰকত উত্থাপন কৰা সকলো বিষয়ৰ ওপৰত মনোযোগ নিবদ্ধ কৰা নাছিল। এইটো এনে এটা গোচৰ নহয় য'ত উচ্চ ন্যায়ালয়ে প্ৰতিৰক্ষাৰ প্ৰমাণ সদায় মিছা বুলি একেসুৰীয়া ধাৰণা পোষণ কৰিছে আৰু এই ধাৰণা পোষণেৰে উদাসীনভাৱে পদকীয়া পক্ষৰ সাক্ষ্য নাকচ কৰি আপীলকাৰী দোষী প্ৰতিপন্ন হোৱাটো নিশ্চিত কৰিছে। পক্ষসমূহে দাখিল কৰা সাক্ষ্যৰ মৰ্ম উপলব্ধি কৰি উচ্চ ন্যায়ালয়ে নিজৰ সিদ্ধান্তত উপনীত হৈছে। প্ৰতিটো সাক্ষ্য যত্নসহকাৰে বিশ্লেষণ, মূল্যায়ন আৰু আলোচনা কৰা হোৱা নাছিল বুলি উল্লেখ কৰাৰ বাহিৰে আপীলকাৰীৰ অধিবক্তাই এই ন্যায়ালয়ত আঙুলিয়াই দিব নোৱাৰিলে যে কোনটো সাক্ষ্য উচ্চ ন্যায়ালয়ে বিশ্লেষণ, মূল্যায়ন আৰু আলোচনা কৰা নাছিল। তদুপৰি, এই ন্যায়ালয়ে আপীলকাৰীৰ অধিবক্তাক এই ন্যায়ালয়ৰ আগত সেই বিষয়কেইটা উত্থাপন কৰিবলৈ অনুমতি দিছিল যিকেইটা তেওঁৰ মতে প্ৰাসংগিক আছিল কিন্তু উচ্চ ন্যায়ালয়ে বিবেচনা কৰা নাছিল। তাৰ

পিছত, অধিবক্তাগৰাকীয়ে  এই ন্যায়ালয়ৰ বিবেচনাৰ বাবে তিনিটা যুক্তি আগবঢ়ায়, যিকেইটা ন্যায়ালয়ে বিবেচনা কৰিছিল আৰু ইয়াৰ সৈতে মোকাবিলা কৰিছিল।[দফা ৭] [৯৫৫-জি-এইছ;৯৫৬-এ-জি]

(১.৪) ষড়যন্ত্র ৰচনাৰে পূৰ্ব-পৰিকল্পিতভাৱে অভিযুক্তই মৃতকজনক হত্যা কৰা বুলি গোচৰ এটা লৈ ফৰিয়াদীপক্ষই কেতিয়াও ন্যায়ালয়ত উপস্থাপন  কৰা নাছিল।

ফৰিয়াদীপক্ষৰ সৰল গোচৰটো এয়ে যে যেতিয়া এজাহাৰকাৰী-বি তথা মৃতকৰ পিতৃ আৰু অন্যান্যসকলে অক্ট'ৰী বেৰিয়াৰৰ ওচৰত উপস্থিত হৈছিল, তেতিয়া তেওঁলোকে চাৰিজন অভিযুক্তক তাত থিয় হৈ থকা দেখিছিল আৰু অভিযুক্তই পি-ক প্ৰত্যাহ্বান জনাইছিল আৰু তেওঁৰ ওপৰত গুলীচালনা কৰিছিল। এই গোচৰটো প্ৰমাণ কৰোঁতে, মৃত পি-য়ে এটা নিৰ্দিষ্ট সময়ত তেওঁৰ দেউতাকৰ সৈতে পেট্ৰ'ল পাম্পলৈ আহিব বুলি অভিযুক্তই  জানিছিল বুলি প্ৰতিপন্ন কৰাৰ উদ্দেশ্যে ফৰিয়াদী পক্ষই সাক্ষ্য উপস্থাপন কৰাটো একেবাৰে বাধ্যতামূলক নাছিল। মৃতকজন এক নিৰ্দিষ্ট স্থানলৈ আহিব বুলি এজন অভিযুক্তই জনা তথ্যৰ কোনো প্ৰত্যক্ষ সাক্ষ্য ফৌজদাৰী বিচাৰত উপস্থাপন কৰিব নোৱাৰি। কেৱল এটা নিৰ্দিষ্ট গোচৰৰ প্ৰমাণিত পৰিস্থিতিৰ পৰাহে আদালতে এনে জ্ঞান এজন অভিযুক্তৰ ওপৰত আৰোপ কৰিব। এইটো হ'ব পাৰে যে অভিযুক্ত ব্যক্তিসকলে তেওঁলোকৰ কামৰ সন্দৰ্ভত 'এছ ' স্থানলৈ আহিছিল আৰু যেতিয়া তেওঁলোকে তেওঁলোকৰ লক্ষ্য দেখিছিল, তেওঁলোকে তেওঁক হত্যা কৰাৰ সিদ্ধান্ত লৈছিল।ফৰিয়াদীপক্ষৰ গোচৰটো এয়ে যে চাৰিজনৰ ভিতৰত দুজন অভিযুক্তৰ আগ্নেয়াস্ত্ৰ আছিল আৰু মৃতকজনক হত্যা কৰিবলৈ এয়া ব্যৱহাৰ কৰিছিল। এয়া প্ৰমাণ কৰিবলৈ ফৰিয়াদীপক্ষই প্ৰত্যক্ষ সাক্ষ্য প্ৰদান কৰিছিল। সেয়েহে, মৃত ব্যক্তিজনে নিৰ্দিষ্ট সময়ত পেট্ৰ'ল পাম্পলৈ আহিব বুলি অভিযুক্তজনৰ জ্ঞান

আছিল বুলি প্রমাণ কৰিবলৈ ফৰিয়াদীপক্ষৰ সাক্ষ্যদান জনিত তথাকথিত বিফলতাৰ কোনো ফলাফল নাই। [দফা ৮] [৯৫৭-এ-এফ]

(১.৫) ফৰিয়াদী সাক্ষী নং১ হিচাপে পৰীক্ষা কৰা এজাহাৰকাৰী-(বি)ক নতুবা ফৰিয়াদী সাক্ষী নং৩ হিচাপে পৰীক্ষা কৰা চাক্ষুস সাক্ষী (পি এছ)-ক স্বাৰ্থজড়িত সাক্ষী হিচাপে শ্ৰেণীভুক্ত কৰিব নোৱাৰি। কেৱল এজন সাক্ষী মৃতকজনৰ নিকট আত্মীয় হোৱাৰ বাবেই তেওঁ স্বাৰ্থজড়িত সাক্ষী নহয়। স্বাৰ্থজড়িত সাক্ষী হ'ল সেইজন যিজনে প্ৰতিহিংসা বা শত্ৰুতাৰ বাবে বা সম্পত্তি সম্পৰ্কীয় বিবাদৰ বাবে এজন ব্যক্তিক দোষী সাব্যস্ত কৰাত আগ্ৰহী হয়। গোচৰটোৰ তথ্যই প্ৰকট নকৰে যে আপীলকাৰীকে ধৰি অন্য কোনো অভিযুক্তৰ সৈতে এজাহাৰকাৰীৰ কোনো বিবাদ আছিল। তেওঁৰ সৰল গোচৰটো এয়ে যে অভিযুক্ত জে আৰু এম-ৰ পিতৃ এইচ এছ-ক হত্যা কৰা হৈছিল যাৰ বাবে এজাহাৰকাৰীৰ পুত্ৰৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছিল কিন্তু তেওঁক দোষমুক্ত কৰা হৈছিল আৰু সেয়েহে প্ৰতিশোধ লোৱাৰ বাবে মৃতকজনক হত্যা কৰা হৈছিল। প্ৰাসংগিক সাক্ষীসকলৰ জেৰাৰ দ্বাৰা এইটো স্পষ্ট হয় যে এজাহাৰকাৰীৰ পুত্ৰৰ বিৰুদ্ধে এইচ. এছ.-ৰ হত্যাৰ বাবে গোচৰ ৰুজু কৰা হৈছিল কিন্তু তেওঁক দোষমুক্ত কৰা হৈছিল। এই তথ্যই কোনো ধৰণে দেখুৱাব নোৱাৰে যে আপীলকাৰীক দোষী সাব্যস্ত কৰাৰ বাবে এজাহাৰকাৰী আগ্ৰহী আছিল আৰু সেয়েহে তেওঁ আদালতৰ আগত শপত গ্ৰহণ কৰি ভুলকৈ সাক্ষ্য দিছিল যে আপীলকাৰীয়ে চলোৱা গুলীৰ ফলত তেওঁৰ পুত্ৰৰ মৃত্যু হৈছিল। যদিহে এই গোচৰত পৰীক্ষা কৰা সাক্ষীসকল মৃতকৰ ঘনিষ্ঠ আত্মীয় বুলি যুক্তিৰ বাবে ধাৰণা কৰা হয় আৰু সেয়েহে, স্বাৰ্থজড়িত সাক্ষী হিচাপে গণ্য কৰা উচিত বুলি ধাৰণা কৰা হয়, তেনেক্ষেত্ৰতো এই স্বাৰ্থজড়িত সাক্ষীৰ ভাষ্য প্ৰত্যাখ্যান কৰিব নোৱাৰি, অৱশ্যে ইয়াক গ্ৰহণ কৰাৰ আগতে সযত্নে আৰু বিশ্লেষণাত্মকভাৱে নিৰীক্ষণ কৰিব লাগিব। বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়ে সাক্ষীসকলৰ প্ৰমাণ গ্ৰহণ কৰাৰ আগতে যত্নসহকাৰে নিৰীক্ষণ

কৰিছিল। সেয়েহে, গোচৰটোৰ তথ্য আৰু পৰিস্থিতিৰ প্ৰেক্ষাপটত বিচাৰ আদালত বা উচ্চ ন্যায়ালয় কোনোৱে এজাহাৰকাৰী অৰ্থাৎ মৃতকৰ পিতৃ তথা ফৰিয়াদী সাক্ষী নং৪-ৰ সাক্ষ্যৰ নিৰ্ভৰশীলতাত ভুল কৰা নাছিল।[দফা৮][৯৫৭-জি-এইছ;৯৫৮-এ-এফ]

(১.৬) এজাহাৰকাৰীয়ে এজাহাৰত আপীলকাৰীৰ নাম উল্লেখ কৰে। এজাহাৰকাৰীয়ে ভালদৰে জানিছিল যে অভিযুক্ত জে আৰু এম-ৰ দেউতাকৰ হত্যাৰ বাবে তেওঁৰ পুত্ৰৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছিল। জেৰাৰ সময়ত এজাহাৰকাৰীক কেতিয়াও এইবুলি মন্তব্য দিয়া হোৱা নাছিল যে আপীলকাৰী বা কোনো অভিযুক্ত তেওঁ চিনি পোৱা নাছিল। এজাহাৰকাৰীৰ সাক্ষ্যই সন্দেহাতীতভাৱে স্পষ্ট কৰি দিয়ে যে তেওঁ ঘটনাৰ পূৰ্বে আপীলকাৰী আৰু আন তিনিজন অভিযুক্তক চিনি পাইছিল আৰু এজাহাৰত আপীলকাৰী আৰু আন এজনৰ নাম উল্লেখ কৰিছিল, আনহাতে আন দুজন অভিযুক্তৰ বিৱৰণ এজাহাৰত দিয়া হৈছিল। তেওঁৰ সাক্ষ্যই আৰু দেখুৱায় যে তেওঁৰ আত্মীয়সকলে 'আই' স্থানত বাস কৰি আছে আৰু তেওঁ প্ৰায়ে তেওঁৰ আত্মীয়সকলক সাক্ষাৎ কৰিছিল। এজাহাৰকাৰীৰ এই দাবীটো তেওঁক জেৰা কৰাৰ সময়ত পদকীয়া পক্ষই নুই কৰিব নোৱাৰিলে। এবাৰ দাবীটো সঁচা বুলি বিশ্বাস কৰাৰ লগে লগে তৎক্ষণাত এইটো স্পষ্ট হৈ পৰে যে তেওঁ আপীলকাৰী আৰু আনসকলক চিনি পাব। তদন্তকাৰী বিষয়াৰ সাক্ষ্যই সূচায় যে এজাহাৰ পঢ়াৰ পিছত তেওঁ সাক্ষী 'বি' বা সাক্ষী 'পি. এছ'.-য়ে অভিযুক্ত ব্যক্তিসকলক তেওঁলোকৰ মুখ আৰু নামৰ দ্বাৰা চিনি নাপাব বুলি তেওঁ অনুভৱ কৰা নাছিল আৰু সেয়েহে, চিনাক্তকৰণ পৰীক্ষাৰ পেৰেড অনুষ্ঠিত কৰাটো প্ৰয়োজনীয় আছিল। তদুপৰি, আপীলকাৰী বা কোনো অভিযুক্তই চিনাক্তকৰণ পেৰেড অনুষ্ঠিত কৰাৰ বাবে দাবী জনোৱাটো আৰু উক্ত অনুৰোধটো তদন্তকাৰী বিষয়া বা দণ্ডাধীশে নাকচ কৰাটো পদকীয়া পক্ষই সন্তোষজনকভাৱে প্ৰমাণিত কৰিব নোৱাৰিলে। তথ্য অনুসৰি, আপীলকাৰীৰ

পৰিচয় একেবাৰে বিতৰ্কিত নহয় আৰু সাক্ষীসকলে তেওঁক চিনাক্ত নকৰাৰ ভিত্তিত তেওঁ কোনো সুবিধা লাভৰ অধিকাৰী নহয়।[দফা ১০] [৯৫৮-এইছ;৯৫৯-এ-ই]

(১.৭) আপীলকাৰীয়ে মৃতকজনৰ ওপৰত তমঞ্চাৰ (দেশীয় পিষ্টল)ৰে গুলীচালনা কৰাৰ ফলত তেওঁৰ মৃত্যু হৈছিল বুলি ফৰিয়াদী পক্ষই ৰুজু কৰা গোচৰটো সন্তোষজনকভাৱে প্ৰতিপন্ন হৈছে। সেয়েহে, ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ৰ অধীনত আপীলকাৰীৰ দোষী সাব্যস্তকৰণক ভুল বা অবৈধ বুলি গণ্য কৰিব নোৱাৰি ,যাৰ বাবে এই ন্যায়ালয়ে ইয়াত হস্তক্ষেপ কৰিব নোৱাৰে। [দফা ১১] [৯৫৯-এফ-জি]

ফৌজদাৰী আপীল ক্ষেত্ৰাধিকাৰঃ ফৌজদাৰী আপীল নং ১০৫৯/২০০৫।

এলাহাবাদ উচ্চ ন্যায়ালয়ৰ ফৌজদাৰী আপীল নং ৮২৮/১৯৮১ ত ১৭-০৮-২০০৪ তাৰিখৰ চূড়ান্ত ৰায়দান আৰু নিৰ্দেশনাৰ পৰা।

আপীলকাৰীৰ হৈ ডাঃ জে. এন. ডুবে, অনুৰাগ ডুবে, মীনেশ ডুবে, আৰ. ভাস্কৰ, এছ. আৰ. চেতিয়া।

প্ৰতিবাদীপক্ষৰ হৈ ৰত্নাকৰ দাস, বিকাশ বনছাল, এ. শৰ্মা, যতিন্দৰ কুমাৰ ভাটিয়া।

ন্যায়ালয়ৰ ৰায় প্ৰদান কৰে ন্যায়াধীশ জে. এম.পাঞ্চালে ।

(১) বিশেষ অনুমোদন আবেদনৰ দ্বাৰা কৰা এই আপীলত এলাহাবাদ উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠৰ ফৌজদাৰী আপীল নং ৮২৮/১৯৮১ত ২০০৪ চনৰ ১৭ আগষ্ট তাৰিখৰ ৰায়দানৰ বিৰুদ্ধে নিৰ্দেশিত কৰা হৈছে। আগ্ৰাস্থিত বিদ্বান অতিৰিক্ত সত্ৰ ন্যায়াধীশ নং ৩ য়ে এছ.টি. নং১২০/১৯৮০ ত প্ৰদান কৰা ৰায় অনুসৰি ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ৰ অধীনত আপীলকাৰীৰ দোষী

সাব্যস্তকৰণ আৰু আজীৱন কাৰাৱাস উচ্চ ন্যায়ালয়ৰ উক্ত ৰায়দান যোগে নিশ্চিত কৰা হৈছিল।

(২) গোচৰটোৰ নথি-পত্ৰৰ অন্তৰ্গত তথ্যসমূহ তলত দিয়া ধৰণৰঃ- ১৯৭৯চনৰ ৩০ ডিচেম্বৰত উত্তৰ প্ৰদেশৰ আগ্ৰাস্থিত চামছাবাদৰ ৰবি পণ্ডিত নামৰ এজন লোকৰ ফিল্টাৰ চেণ্টাৰলৈ ডিজেল ল'বৰ বাবে এজাহাৰকাৰী অৰ্থাৎ ভুৰেলাল গৈছিল। তেওঁৰ লগত আছিল তেওঁৰ পুত্ৰ পুৰণ সিং আৰু তেওঁৰ নিজৰ গাঁৱৰ দুজন বাসিন্দা ৰাজেন্দ্ৰ আৰু পোহন সিং। কেৱল এজাহাৰকাৰীৰ পুত্ৰই ডিজেলৰ দুটা কেন পাইছিল। এজাহাৰকাৰীয়ে তেওঁৰ পুত্ৰ আৰু অন্যান্য সকলৰ সৈতে আবেলি প্ৰায় ৩.০০ ৰ পৰা ৩.১৫ বজাত ঘৰলৈ উভতি আহিছিল। যেতিয়া তেওঁ ৰাম খেৰা টোল নাকাৰ পৰা ৪০ৰ পৰা ৫০ খোজ দূৰত্বত আছিল, তেতিয়া তেওঁক (১) ৰাম ভৰোছে (ইয়াত আপীলকাৰী) ,(২) জাগ্নে, (ত) মুন্না আৰু (৪) ব্ৰিজেন্দ্ৰই সম্বোধন কৰিছিল। পুৰণ সিঙক দেখা পোৱাৰ লগে লগে অভিযুক্তজনে কৈছিল যে পুৰণক জীৱিত অৱস্থাত ঘূৰি যাবলৈ দিয়া নহ'ব। আপীলকাৰী আৰু জাগ্নেৰ হাতত তমঞ্চ আছিল। অভিযুক্ত জাগ্নেই পুৰণ সিঙক কৈছিল যে তেওঁ পিতৃৰ মৃত্যুৰ প্ৰতিশোধ ল'ব আৰু কৈছিল যে তেওঁ যিকোনো ঠাইলৈ পলায়ন কৰিবলৈ মুক্ত । নিজৰ প্ৰাণহানিৰ আশংকাত পুৰণ সিঙে নিজৰ চাইকেল আৰু জোতা এৰি প্ৰাণটাকি দৌৰিবলৈ আৰম্ভ কৰিলে। আপীলকাৰী আৰু জাগ্নেই তেওঁৰ ওপৰত কট্টাৰে গুলীচালনা কৰিছিল কিন্তু কোনো গুলীয়ে তেওঁক আঘাত কৰা নাছিল। পুৰণ সিঙে গাঁৱৰ ফালে দৌৰি আহিল আৰু যেতিয়া তেওঁ কাৰোবাৰ ঘৰত আশ্ৰয় ল'বলৈ চেষ্টা কৰিলে, তেতিয়া তেওঁ লক্ষ্য কৰিলে যে উক্ত ঘৰটো বন্ধ আছিল। সেয়েহে, তেওঁ আম গছৰ কাষেৰে দৌৰিবলৈ আৰম্ভ কৰিলে। তেওঁক ওচৰৰ পৰা অনুসৰণ কৰি থকা আপীলকাৰী আৰু জাগ্নে দুয়োজনে তেওঁৰ ওপৰত গুলীচালনা কৰিছিল কিন্তু গুলীকেইটাই আম গছত আঘাত কৰিছিল। যেতিয়া পুৰণ সিঙে ৰাস্তা পাৰ হৈ ফিল্টাৰ চেণ্টাৰৰ ফালে

দৌৰি আহিছিল, তেতিয়া আপীলকাৰী আৰু জাগ্নে-এ  তথা ব্ৰিজেন্দ্ৰ আৰু মুন্নাই তেওঁক শিশাম গছৰ ওচৰত ঘেৰাও কৰিছিল। ব্ৰিজেন্দ্ৰ আৰু মুন্নাই তেওঁৰ হাত ধৰিছিল যাৰ পিছত আপীলকাৰীয়ে তেওঁৰ তমঞ্চাৰ পৰা তেওঁৰ ওপৰত গুলীচালনা কৰিছিল যিটোয়ে তেওঁৰ বুকুত আঘাত কৰিছিল। গুলীৰ আঘাত পোৱাৰ লগে লগে পুৰণ মাটিত ঢলি পৰিছিল আৰু তিনি-চাৰি মিনিটৰ ভিতৰতে ঘটনাস্থলীতে মৃত্যুবৰণ কৰিছিল। ইয়াৰ পিছতে অভিযুক্ত ব্যক্তিসকলে জাৰোলীলৈ পলায়ন কৰিছিল। অভিযোগকাৰী আৰু তেওঁৰ সতীৰ্থসকলে অভিযুক্তজনক অনুসৰণ কৰিব নোৱাৰিলে কাৰণ অভিযুক্তসকলৰ  হাতত তমঞ্চা আছিল। এজাহাৰকাৰীয়ে অৰ্থাৎ ভুৰেলালে কাপ্তান সিঙক লগ পাইছিল যি এজাহাৰখন লিখিছিল আৰু তাত তেওঁৰ আঙুলিৰ ছাপ দিছিল। এনেদৰে প্ৰস্তুত কৰা অভিযোগটো চামছাবাদ আৰক্ষী থানাৰ বিষয়াক দাখিল কৰা হৈছিল। অভিযোগ দাখিল কৰাৰ পিছত উপ-পৰিদৰ্শক মহেন্দ্ৰ নাথে পোহন সিঙৰ সৈতে ঘটনাস্থলী পৰিদৰ্শন কৰে। গোচৰটোৰ তথ্যৰ বিষয়ে অৱগত হোৱা ব্যক্তিসকলৰ বিবৃতি তদন্তকাৰী বিষয়াজনে লিপিবদ্ধ কৰিছিল। তেওঁ মৃতকৰ মৃতদেহৰ তদন্ত কৰিছিল আৰু কনিষ্টবল ৰণবীৰ সিং আৰু শৈলেন্দ্ৰ সিঙৰ জৰিয়তে সকলো নথিপত্ৰৰ সৈতে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰিছিল। এজাহাৰকাৰী ভুৰেলালৰ বিবৃতিৰ ভিত্তিত তদন্তকাৰী বিষয়াজনে অপৰাধৰ স্থানৰ মানচিত্ৰ প্ৰস্তুত কৰিছিল। মৃতকজনৰ কাপোৰৰ পৰা তেওঁ ১১ টকা মূল্যৰ তেজৰ দাগ লগা নোট আৰু মৃতকজনে লাভ কৰা ডিজেলৰ অনুজ্ঞাপত্ৰ জব্দ কৰে। তদন্তকাৰী বিষয়াজনে ঘটনাস্থলীৰ পৰা চাৰিটা খোখা কাৰটুছ আৰু  ১২ ব'ৰৰ বন্দুক উদ্ধাৰ কৰে। তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত আৰু ফৰেনচিক চায়েঞ্চ লেবৰটৰীৰ পৰা প্ৰতিবেদন লাভ কৰাৰ পিছত, চাৰিজন অভিযুক্তক ভাৰতীয় দণ্ডবিধি আইনৰ  ধাৰা ৩০২ আৰু আনুষংগিক ধাৰা ৩৪ৰ অধীনত দণ্ডনীয় অপৰাধ সংঘটিত কৰাৰ বাবে গোচৰটোৰ ক্ষেত্ৰাধিকাৰ থকা বিদ্বান প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশৰ আদালতত অভিযোগনামা দাখিল কৰা

হৈছিল। যিহেতু ভাৰতীয় দণ্ডবিধি আইনৰ  ধাৰা ৩০২  ধাৰাৰ অধীনৰ দণ্ডনীয় অপৰাধ কেৱল সত্ৰ ন্যায়াধীশৰ আদালতৰ দ্বাৰা বিচাৰযোগ্য, সেয়েহে, বিদ্বান দণ্ডাধীশে গোচৰটো সত্ৰ ন্যায়াধীশৰ আদালতক সমৰ্পণ কৰিছিল।

(৩) বিদ্বান ন্যায়াধীশজনে আপীলকাৰীৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ৰ অধীনত আৰু অন্যান্য অভিযুক্তৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ আৰু আনুষংগিক ধাৰা ৩৪ৰ অধীনত অভিযোগ গঠন কৰিছিল। আপীলকাৰী আৰু অন্যান্যসকলৰ আগত অভিযোগটো পঢ়ি দিয়া হৈছিল আৰু লগতে ব্যাখ্যা কৰা হৈছিল। তেওঁলোকে ইয়াৰ বাবে দোষী নহয় বুলি স্বীকাৰ কৰিছিল আৰু বিচাৰ কৰাৰ বাবে দাবী কৰিছিল। সেয়েহে, ফৰিয়াদী পক্ষই আপীলকাৰী আৰু আনসকলৰ বিৰুদ্ধে নিজৰ গোচৰটো প্ৰমাণ কৰিবলৈ কেইবাজনো সাক্ষীক পৰীক্ষা কৰাৰ লগতে নথিপত্ৰ দাখিল কৰিছিল।

(৪) ফৰিয়াদী পক্ষৰ সাক্ষীসকলৰ সাক্ষ্য গ্ৰহণ সম্পূৰ্ণ হোৱাৰ পিছত, বিদ্বান ন্যায়াধীশজনে আপীলকাৰী আৰু অন্যান্য অভিযুক্তসকলৰ আগত ফৰিয়াদী পক্ষৰ সাক্ষীসকলৰ সাক্ষ্যত তেওঁলোকৰ বিৰুদ্ধে উন্মেষ হোৱা পৰিস্থিতিৰ বিষয়ে ব্যাখ্যা কৰে আৰু ফৌজদাৰী কাৰ্যবিধি আইন, ১৯৭৩ৰ ধাৰা ৩১৩ৰ আৱশ্যকতা অনুসৰি তেওঁলোকৰ অতিৰিক্ত বিবৃতি লিপিবদ্ধ কৰে। পৰৱৰ্তী পৰ্যায়ৰ বিবৃতিত, আপীলকাৰী আৰু অন্যান্য সকলে গোচৰটো অস্বীকাৰ কৰিছিল। তিনিজন সাক্ষী, অৰ্থাৎ, (১) চিৰাজুদ্দিন (১নং পদকীয়া সাক্ষী, এওঁ ছামচাবাদস্থিত পৌৰ পৰিষদৰ এজন কেৰাণী আছিল), (২) ৰোহতান সিং (২নং পদকীয়া সাক্ষী) আৰু (৩) দয়া শংকৰ (৩নং পদকীয়া সাক্ষী) আদিক অভিযুক্তসকলে তেওঁলোকৰ প্ৰতিৰক্ষাৰ সমৰ্থনত নিজকে নিৰ্দোষী হিচাপে উপস্থাপন কৰিবলৈ পৰীক্ষা কৰিছিল।

(৫) ফৰিয়াদী পক্ষ তথা পদকীয়া পক্ষৰ সাক্ষ্য বিবেচনা কৰাৰ পিছত আৰু

পক্ষসমূহৰ অধিবক্তাৰ শুনানি  গ্ৰহণ কৰাৰ পিছত বিচাৰ আদালতে ৰায় দিয়ে যে মৃতক পুৰণ সিঙ হত্যাকাণ্ডত নিহত হোৱাটো যুক্তিসংগত সন্দেহৰ ঊৰ্দ্ধত প্ৰমাণিত হৈছে। বিদ্বান ন্যায়াধীশজনৰ অৱগত হ'ল যে এজাহাৰকাৰী অৰ্থাৎ মৃতকজনৰ পিতৃৰ সাক্ষ্য বিশ্বাসযোগ্য আৰু নিৰ্ভৰযোগ্য ।

বিদ্বান ন্যায়াধীশগৰাকীয়ে ৰায় দিয়ে যে এজাহাৰ বিলম্বিত নাছিল আৰু ইয়াক খৰতকীয়াভাৱে দাখিল কৰা হৈছিল য'ত আপীলকাৰী আৰু জাগ্নেক তেওঁলোকৰ নামেৰে চিনাক্ত কৰা হৈছিল, আনহাতে আন দুজন অভিযুক্তক তেওঁলোকৰ সম্পৰ্কৰ দ্বাৰা বৰ্ণনা কৰা হৈছিল। বিদ্বান ন্যায়াধীশগৰাকীৰ মতে ফৰিয়াদী পক্ষই প্ৰমাণ  কৰা অনুসৰি আলোচ্য অপৰাধটো সংঘটনৰ অভিপ্ৰায় এয়ে যে অভিযুক্ত জাগ্নে আৰু মুন্নাৰ পিতৃ হুকুম সিঙক ১৯৭৬ চনত হত্যা কৰা হৈছিল যাৰ বাবে মৃত পুৰণ সিঙৰ বিৰুদ্ধে গোচৰ চলোৱা হৈছিল কিন্তু তেওঁক দোষমুক্ত কৰা হৈছিল আৰু সেয়েহে জাগ্নে আৰু মুন্নাৰ পিতৃৰ মৃত্যুৰ প্ৰতিশোধ লোৱাৰ বাবে মৃতকজনক হত্যা কৰা হৈছিল। বিদ্বান ন্যায়াধীশগৰাকীয়ে লগতে ৰায় দিয়ে যে এইটো যুক্তিসংগত সন্দেহৰ ঊৰ্দ্ধত প্ৰমাণিত হৈছে যে মৃতকৰ মৃত্যু আপীলকাৰীয়ে চলোৱা গুলীৰ ফলত হৈছিল যিটো কাম তেওঁ সকলো অভিযুক্তৰ উমৈহতীয়া আঁচনি ৰূপায়ণৰ বাবে কৰিছিল। সেয়েহে, বিদ্বান ন্যায়াধীশজনে আপীলকাৰীক ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ৰ অধীনত আৰু অন্যান্য অভিযুক্তক  ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ আৰু আনুষংগিক ধাৰা ৩৪ৰ অধীনত দোষী সাব্যস্ত কৰি তেওঁলোকৰ ওপৰত আজীৱন কাৰাদণ্ডৰ শাস্তি আৰোপ কৰে।

(৬) অসন্তুষ্ট হৈ আপীলকাৰী আৰু অন্যান্যসকলে ফৌজদাৰী আপীল নং ৮২৮/১৯৮১ যোগে এলাহাবাদ উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। এলাহাবাদ উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে ২০০৪ চনৰ ১৭  আগষ্ট তাৰিখৰ ৰায়ৰ দ্বাৰা আপীলকাৰীৰ ওপৰত আৰোপ কৰা দোষী সাব্যস্তকৰণ আৰু দণ্ডাজ্ঞা নিশ্চিত

কৰে, কিন্তু আন তিনিজন অভিযুক্তৰ ওপৰত আৰোপ কৰা দোষী সাব্যস্তকৰণ আৰু দণ্ডাজ্ঞা খাৰিজ কৰে।

সেয়েহে, আপীলকাৰীয়ে এই ন্যায়ালয়ৰ কাষ চাপিছে।

(৭) এই ন্যায়ালয়ে পক্ষসমূহৰ অধিবক্তাৰ বক্তব্যৰ শুনানি বিস্তাৰিতভাৱে গ্ৰহণ কৰে। এই ন্যায়ালয়ে গোচৰটোৰ নথিভুক্ত তথ্য বিবেচনা কৰে। উচ্চ ন্যায়ালয়ে সিদ্ধান্তত উপনীত হোৱাৰ পূৰ্বে প্ৰতিটো সাক্ষ্যৰ গুৰুত্বৰ ওপৰত সাৱধানে বিশ্লেষণ, মূল্যায়ন আৰু আলোচনা কৰাত ব্যৰ্থ হোৱা বুলি আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত আপীলকাৰীক দোষমুক্ত কৰিব লাগে বুলি আপীলকাৰীৰ হৈ বিদ্বান অধিবক্তাই উত্থাপন কৰা যুক্তিৰ কোনো গুৰুত্ব নাই। এইটো সত্য যে ফৌজদাৰী কাৰ্যবিধি আইন, ১৯৭৩-ৰ ধাৰা ৩৭৪ৰ অধীনত  দাখিল কৰা ফৌজদাৰী আপীলৰ সিদ্ধান্ত লোৱাৰ সময়ত উচ্চ ন্যায়ালয়ে গোচৰটোৰ সকলো মৌখিক আৰু নথি সমৰ্থিত সাক্ষ্য পুংখানুপুংখভাৱে অধ্যয়ন কৰিব লাগে আৰু ইয়াৰ ভিত্তিতহে সিদ্ধান্ত গ্ৰহণ কৰা উচিত। এই বিষয়ে কোনো সন্দেহ নাই যে উপস্থাপিত বিষয় সন্দৰ্ভত বিবেচনা কৰাটো সূচাবলৈ উচ্চ ন্যায়ালয়ে মৌখিক আৰু নথি সমৰ্থিত সাক্ষ্য-প্ৰমাণৰ বিষয়ে আলোচনা কৰা উচিত। অৱশ্যে, আপীলৰ বিতৰ্কিত ৰায়টোৱে সূচায় যে নথিভুক্ত প্ৰাসংগিক সাক্ষ্য সন্দৰ্ভত সযত্নে বিশ্লেষণ, মূল্যায়ন আৰু আলোচনা কৰাৰ পিছত আপীলকাৰীৰ দোষী সাব্যস্তকৰণ নিশ্চিত কৰা হৈছে। ফৰিয়াদী পক্ষই আঠগৰাকী সাক্ষী উপস্থাপন কৰাৰ বিপৰীতে পদকীয়া পক্ষই তিনিগৰাকী সাক্ষী উপস্থাপন কৰিছিল বুলি লক্ষ্য কৰাৰ পিছত উচ্চ ন্যায়ালয়ে প্ৰাসংগিক সাক্ষীসকলৰ  সাক্ষ্যৰ বিষয়ে আলোচনা কৰিছিল। উচ্চ ন্যায়ালয়ে প্ৰদান কৰা ৰায়টোৱে এইটোও স্পষ্ট কৰি দিয়ে যে আপীলকাৰী আৰু অন্যান্যসকলৰ বিদ্বান অধিবক্তা শ্ৰী পি.এন.মিশ্ৰই উচ্চ ন্যায়ালয়ৰ বিবেচনাৰ বাবে তিনিটা বিষয় উত্থাপন কৰিছিল। এইকেইটা আছিল (১) অভিযুক্ত ব্যক্তিসকলক শত্ৰুতাৰ বাবে মিছাকৈ জড়িত কৰা হৈছে, (২) মৃতকৰ মৃতদেহত কেৱল এটা আঘাত পোৱা গৈছিল আৰু (৩) মৃতকজনক

ওচৰৰ পৰা গুলীচালনা কৰাৰ সময়ত কোনেও তেওঁক ধৰি ৰাখিব নোৱাৰিলেহেঁতেন। উত্থাপিত তিনিওটা বিষয় উচ্চ ন্যায়ালয়ে কাৰ্যকৰীভাৱে আলোচনা কৰাৰ লগতে মোকাবিলা কৰিছিল। দৰাচলতে, উচ্চ ন্যায়ালয়ত কৰা আপীলত উপস্থাপন কৰা যুক্তি নং ২ আৰু ৩ৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ আৰু আনুষংগিক ধাৰা ৩৪ৰ অধীনত দোষী সাব্যস্ত কৰা তিনিজন অভিযুক্তক দোষমুক্ত কৰা হৈছিল। উচ্চ ন্যায়ালয়ে  তিনিজন অভিযুক্তক দোষমুক্ত কৰাটোৱে নথিভুক্ত সাক্ষ্য সাপেক্ষে ইয়াৰ দৃষ্টিভংগী প্ৰকট কৰাটো সূচায়। এইটো সকলোৰে জ্ঞাত যে আপীল বা পুনৰীক্ষণৰ স্মাৰক পত্ৰত, কেইবাটাও ভিত্তি লোৱা হয়/উপস্থাপন কৰা হয়, কিন্তু যুক্তি উপস্থাপনৰ সময়ত বিদ্বান অধিবক্তাগৰাকীয়ে সৰ্বশ্ৰেষ্ঠ বুলি বিবেচনা কৰা কেইটামান বিষয়ৰ ভিতৰতহে  নিজকে সীমাবদ্ধ ৰাখিব লাগিব আৰু কেৱল সেই বিষয়কেইটা বিবেচনা কৰিবলৈ আদালতক অৱগত কৰিব লাগিব। এইটো আপীলকাৰীৰ অভিযোগ নহয় যে এটা বিশেষ বিষয়ৰ ওপৰত যুক্তি দিয়া হৈছিল, অথচ উচ্চ ন্যায়ালয়ে ইয়াৰ ওপৰত গুৰুত্ব দিয়া নাছিল। বিশেষ অনুমোদন আবেদনৰ স্মাৰকপত্ৰত আপীলকাৰীয়ে এইবুলি কোনো অভিযোগ উত্থাপন কৰা নাছিল যে কিছুমান বিষয় আহ্বান কৰা হৈছিল কিন্তু  এয়া উচ্চ ন্যায়ালয়ে বিবেচনা কৰা নাছিল। যিহেতু আপীলকাৰী আৰু অন্যান্যসকলৰ বিদ্বান অধিবক্তাই উচ্চ ন্যায়ালয়ৰ আগত তিনিটা বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল, সেয়ে সেই বিষয়কেইটা বিবেচনা কৰাৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয় ন্যায়সংগত আছিল আৰু আপীলৰ স্মাৰকত উত্থাপন কৰা সকলো বিষয়ৰ ওপৰত  মনোযোগ নিবদ্ধ কৰা নাছিল। এইটো এনে এটা গোচৰ নহয় য'ত উচ্চ ন্যায়ালয়ে প্ৰতিৰক্ষাৰ প্ৰমাণ সদায় মিছা বুলি একেসুৰীয়া ধাৰণা পোষণেৰে  উদাসীনভাৱে পদকীয়া পক্ষৰ সাক্ষ্য নাকচ কৰিছে আৰু আপীলকাৰী দোষী প্ৰতিপন্ন হোৱাটো নিশ্চিত কৰিছে। এইটো সেই গোচৰবোৰৰ ভিতৰত এটা নহয় য'ত উচ্চ ন্যায়ালয়ে কাৰণ লিপিবদ্ধ নকৰাকৈ বিচাৰ আদালতৰ ৰায় নিশ্চিত কৰিছে।পক্ষসমূহে

দাখিল কৰা সাক্ষ্যৰ মৰ্ম উপলব্ধি কৰি উচ্চ ন্যায়ালয়ে নিজৰ সিদ্ধান্তত উপনীত হৈছে। এইটো সেই গোচৰবোৰৰ ভিতৰত এটা নহয় য'ত উচ্চ ন্যায়ালয়ে সাক্ষ্যৰ মূল্যায়ন নকৰাকৈ আপীলকাৰীৰ আপীল নিষ্পত্তি কৰিবলৈ আগবাঢ়িছিল। সেয়েহে, উচ্চ ন্যায়ালয়ে ইয়াৰ সিদ্ধান্তত উপনীত হোৱাৰ আগতে প্ৰতিটো সাক্ষ্যৰ গুৰুত্বৰ ওপৰত সাৱধানে বিশ্লেষণ, মূল্যায়ন আৰু আলোচনা কৰাত ব্যৰ্থ হোৱাৰ বাবে বিতৰ্কিত ৰায় বাতিল কৰা উচিত বুলি দাবী কৰাটো ভুল। প্ৰতিটো সাক্ষ্য যত্নসহকাৰে বিশ্লেষণ, মূল্যায়ন আৰু আলোচনা কৰা হোৱা নাছিল বুলি উল্লেখ কৰাৰ বাহিৰে আপীলকাৰীৰ বিদ্বান অধিবক্তাই এই ন্যায়ালয়ত আঙুলিয়াই দিব নোৱাৰিলে যে কোনটো সাক্ষ্য উচ্চ ন্যায়ালয়ে বিশ্লেষণ, মূল্যায়ন আৰু আলোচনা কৰা নাছিল। তদুপৰি, এই ন্যায়ালয়ে আপীলকাৰীৰ বিদ্বান অধিবক্তাক এই ন্যায়ালয়ৰ আগত সেই বিষয়কেইটা উত্থাপন কৰিবলৈ অনুমতি দিছিল যিকেইটা তেওঁৰ মতে প্ৰাসংগিক আছিল কিন্তু উচ্চ ন্যায়ালয়ে বিবেচনা কৰা নাছিল। তাৰ পিছত, বিদ্বান অধিবক্তাগৰাকীয়ে  এই ন্যায়ালয়ৰ বিবেচনাৰ বাবে তিনিটা যুক্তি আগবঢ়ায়, যিকেইটা ন্যায়ালয়ে বিবেচনা কৰিছিল আৰু ইয়াৰ সৈতে মোকাবিলা কৰিছিল। সেয়েহে, উচ্চ ন্যায়ালয়ে প্ৰতিটো প্ৰমাণ বিশ্লেষণ, মূল্যায়ন আৰু আলোচনা কৰাত ব্যৰ্থ হৈছে বুলি আগবঢ়োৱা যুক্তিত কোনো গুৰুত্ব নাই আৰু সেয়েহে ইয়াক নাকচ কৰা হ'ল।

(৮) মৃত পুৰণ সিঙে নিৰ্ধাৰিত সময়ত পেট্ৰ'ল পাম্পলৈ আহিব বুলি অভিযুক্তজনৰ জ্ঞান থকাৰ সন্দৰ্ভত ফৰিয়াদী পক্ষই প্ৰমাণ দাখিল কৰাত ব্যৰ্থ হোৱাৰ বাবে আপীলকাৰীৰ দোষী সাব্যস্তকৰণ খাৰিজ কৰিব লাগে বুলি কৰা আবেদনটোৰ কোনো গুৰুত্ব নাই। অভিযুক্তই ষড়যন্ত্ৰ ৰচনাৰে পূৰ্ব-পৰিকল্পিতভাৱে মৃতকজনক হত্যা কৰা বুলি গোচৰ এটা লৈ ফৰিয়াদীপক্ষই এই গোচৰত কেতিয়াও ন্যায়ালয়ত উপস্থাপন  কৰা নাছিল। এজাহাৰকাৰী তথা মৃতকৰ পিতৃ ভুবেলালে তেওঁৰ সাক্ষ্যৰ ৩নং  দফাত উল্লেখ কৰিছে যে যেতিয়া

তেওঁ তেওঁৰ পুত্ৰ আৰু অন্যান্যসকলৰ সৈতে অক্ট্ৰয় বেৰিয়াৰৰ ওচৰলৈ আহিছিল, তেতিয়া তাত থিয় হৈ থকা অভিযুক্তসকলে তেওঁলোকৰ পিনে আক্ৰমণাত্মকভাৱে কাষ চাপি আহিছিল।ফৰিয়াদীপক্ষৰ সৰল গোচৰটো এয়ে যে যেতিয়া ভুৰেলালে আৰু অন্যান্যসকলে  অক্ট্ৰয় বেৰিয়াৰৰ ওচৰত উপস্থিত হৈছিল, তেতিয়া তেওঁলোকে চাৰিজন অভিযুক্তক তাত থিয় হৈ থকা দেখিছিল আৰু অভিযুক্তই পুৰণক প্ৰত্যাহ্বান জনাইছিল আৰু তেওঁৰ ওপৰত গুলীচালনা কৰিছিল। এই গোচৰটো প্ৰমাণ কৰোঁতে, মৃত পুৰণে এটা নিৰ্দিষ্ট সময়ত তেওঁৰ দেউতাকৰ সৈতে পেট্ৰ'ল পাম্পলৈ আহিব বুলি অভিযুক্তই  জানিছিল বুলি প্ৰতিপন্ন কৰাৰ উদ্দেশ্যে ফৰিয়াদী পক্ষই সাক্ষ্য উপস্থাপন কৰাটো একেবাৰে বাধ্যতামূলক নাছিল। এইক্ষেত্ৰত  সুপ্ৰতিষ্ঠিত স্থিতিটো এয়ে যে মৃতকজন এক নিৰ্দিষ্ট স্থানলৈ আহিব বুলি এজন অভিযুক্তই জনা তথ্যৰ কোনো প্ৰত্যক্ষ সাক্ষ্য ফৌজদাৰী বিচাৰত উপস্থাপন কৰিব নোৱাৰি। কেৱল এটা নিৰ্দিষ্ট গোচৰৰ প্ৰমাণিত পৰিস্থিতিৰ পৰাহে আদালতে এনে জ্ঞান এজন অভিযুক্তৰ ওপৰত আৰোপ কৰিব। এইটো হ'ব পাৰে যে অভিযুক্ত ব্যক্তিসকলে তেওঁলোকৰ কামৰ সন্দৰ্ভত চামছাবাদলৈ আহিছিল আৰু যেতিয়া তেওঁলোকে তেওঁলোকৰ লক্ষ্য দেখিছিল, তেওঁলোকে তেওঁক হত্যা কৰাৰ সিদ্ধান্ত লৈছিল।ফৰিয়াদীপক্ষৰ গোচৰটো এয়ে যে চাৰিজনৰ ভিতৰত দুজন অভিযুক্তৰ আগ্নেয়াস্ত্ৰ আছিল আৰু মৃতকজনক হত্যা কৰিবলৈ এয়া ব্যৱহাৰ কৰিছিল। এয়া প্ৰমাণ কৰিবলৈ ফৰিয়াদীপক্ষই প্ৰত্যক্ষ সাক্ষ্য প্ৰদান কৰিছিল। সেয়েহে, মৃত ব্যক্তিজনে নিৰ্দিষ্ট সময়ত পেট্ৰ'ল পাম্পলৈ আহিব বুলি অভিযুক্তজনৰ জ্ঞান আছিল বুলি প্ৰমাণ কৰিবলৈ ফৰিয়াদীপক্ষৰ সাক্ষ্যদান জনিত তথাকথিত বিফলতাৰ কোনো ফলাফল নাই।

(৯) ফৰিয়াদী পক্ষৰ গোচৰটো প্ৰমাণ কৰিবলৈ কেৱল স্বাৰ্থজড়িত সাক্ষীসকলক পৰীক্ষা কৰা হৈছিল আৰু কোনো স্বতন্ত্ৰ সাক্ষীক পৰীক্ষা কৰা হোৱা নাছিল আৰু

সেয়েহে ফৰিয়াদী পক্ষৰ গোচৰটো অবিশ্বাস্য হোৱা উচিত বুলি কৰা যুক্তিৰ কোনো গুৰুত্ব নাই।

ফৰিয়াদী সাক্ষী নং ১ হিচাপে পৰীক্ষা কৰা এজাহাৰকাৰী ভুৰেলালক নতুবা ফৰিয়াদী সাক্ষী নং ৩ হিচাপে পৰীক্ষা কৰা চাক্ষুস সাক্ষী পোহন সিঙক স্বাৰ্থজড়িত সাক্ষী হিচাপে শ্ৰেণীভুক্ত কৰিব নোৱাৰি। কেৱল এজন সাক্ষী মৃতকজনৰ নিকট আত্মীয় হোৱাৰ বাবেই তেওঁ স্বাৰ্থজড়িত সাক্ষী নহয়। স্বাৰ্থজড়িত সাক্ষী হ'ল  সেইজন যিজনে প্ৰতিহিংসা বা শত্ৰুতাৰ বাবে বা সম্পত্তি সম্পৰ্কীয় বিবাদৰ বাবে এজন ব্যক্তিক দোষী সাব্যস্ত কৰাত আগ্ৰহী হয়। গোচৰটোৰ তথ্যই প্ৰকট নকৰে যে  আপীলকাৰীকে ধৰি  অন্য কোনো অভিযুক্তৰ সৈতে এজাহাৰকাৰীৰ কোনো বিবাদ আছিল। তেওঁৰ সৰল গোচৰটো এয়ে যে অভিযুক্ত জাগ্নে আৰু মুন্নাৰ পিতৃ হুকুম সিঙক হত্যা কৰা হৈছিল যাৰ বাবে তেওঁৰ মৃত পুত্ৰৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছিল কিন্তু তেওঁক দোষমুক্ত কৰা হৈছিল আৰু সেয়েহে প্ৰতিশোধ লোৱাৰ বাবে মৃতকজনক হত্যা কৰা হৈছিল। প্ৰাসংগিক সাক্ষীসকলৰ জেৰাৰ দ্বাৰা এইটো স্পষ্ট হয় যে এজাহাৰকাৰীৰ  পুত্ৰৰ বিৰুদ্ধে হুকুম সিঙৰ হত্যাৰ বাবে গোচৰ ৰুজু কৰা হৈছিল কিন্তু তেওঁক দোষমুক্ত কৰা হৈছিল। এই তথ্যই কোনো ধৰণে দেখুৱাব নোৱাৰে যে আপীলকাৰীক দোষী সাব্যস্ত কৰাৰ বাবে এজাহাৰকাৰী আগ্ৰহী আছিল আৰু সেয়েহে তেওঁ আদালতৰ আগত শপত গ্ৰহণ কৰি ভুলকৈ সাক্ষ্য দিছিল যে আপীলকাৰীয়ে চলোৱা গুলীৰ ফলত তেওঁৰ পুত্ৰৰ মৃত্যু হৈছিল। যদিহে এই গোচৰত পৰীক্ষা কৰা সাক্ষীসকল মৃতকৰ ঘনিষ্ঠ আত্মীয় বুলি যুক্তিৰ বাবে ধাৰণা কৰা হয় আৰু সেয়েহে, স্বাৰ্থজড়িত সাক্ষী হিচাপে গণ্য কৰা উচিত বুলি ধাৰণা কৰা হয়, তেনেক্ষেত্ৰত উল্লেখ্য যে স্বাৰ্থজড়িত সাক্ষীৰ মূল্যায়ন সুপ্ৰতিষ্ঠিত। এই স্থিতি অনুসৰি এগৰাকী স্বাৰ্থজড়িত সাক্ষীৰ  ভাষ্য প্ৰত্যাখ্যান কৰিব নোৱাৰি, অৱশ্যে ইয়াক গ্ৰহণ কৰাৰ আগতে সযত্নে আৰু বিশ্লেষণাত্মকভাৱে নিৰীক্ষণ কৰিব লাগিব। এই ন্যায়ালয়ৰ অৱগত হৈছে যে

বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়ে সাক্ষী ভুৰেলাল আৰু পোহন সিঙৰ সাক্ষ্য গ্ৰহণ কৰাৰ আগতে এয়া যত্নসহকাৰে নিৰীক্ষণ কৰিছিল। সেয়েহে, গোচৰটোৰ তথ্য আৰু পৰিস্থিতিৰ প্ৰেক্ষাপটত এই ন্যায়ালয়ে মত পোষণ কৰে যে বিচাৰ আদালত নতুবা উচ্চ ন্যায়ালয় কোনোৱে এজাহাৰকাৰী অৰ্থাৎ মৃতকৰ পিতৃ তথা ফৰিয়াদী সাক্ষী নং৪ৰ সাক্ষ্যৰ নিৰ্ভৰশীলতাত ভুল কৰা নাছিল।

(১০) পদকীয়া পক্ষৰ যুক্তি অনুসৰি এই গোচৰটোৰ অভিযুক্তসকল ইয়াত পৰীক্ষা কৰা সাক্ষীসকলৰ পৰিচিত নাছিল আৰু চিনাক্তকৰণ পৰীক্ষাৰ পেৰেড অনুষ্ঠিত নোহোৱাৰ বাবে আপীলকাৰীক সন্দেহৰ সুবিধা প্ৰদান কৰা উচিত কিয়নো এজন অন্যতম অভিযুক্ত হিচাপে তেওঁৰ চিনাক্তকৰণ ফৰিয়াদীপক্ষই সন্তোষজনকভাৱে প্ৰতিপন্ন কৰিব নোৱাৰিলে -এই যুক্তি মাথোন প্ৰত্যাখ্যানৰ যোগ্য।

এজাহাৰকাৰীয়ে এজাহাৰত আপীলকাৰীৰ নাম উল্লেখ কৰে। এজাহাৰকাৰীয়ে ভালদৰে জানিছিল যে অভিযুক্ত জাগ্নে আৰু মুন্নাৰ দেউতাকৰ হত্যাৰ বাবে তেওঁৰ পুত্ৰৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছিল। জেৰাৰ সময়ত এজাহাৰকাৰীক কেতিয়াও এইবুলি মন্তব্য দিয়া হোৱা নাছিল যে আপীলকাৰী বা কোনো অভিযুক্তক তেওঁক চিনি পোৱা নাছিল। এজাহাৰকাৰীৰ সাক্ষ্যই সন্দেহাতীতভাৱে স্পষ্ট কৰি দিয়ে যে তেওঁ ঘটনাৰ পূৰ্বে আপীলকাৰী আৰু আন তিনিজন অভিযুক্তক চিনি পাইছিল আৰু এজাহাৰত আপীলকাৰী আৰু আন এজনৰ নাম উল্লেখ কৰিছিল আনহাতে আন দুজন অভিযুক্তৰ বিৱৰণ এজাহাৰত দিয়া হৈছিল। তেওঁৰ সাক্ষ্যই আৰু দেখুৱায় যে তেওঁৰ আত্মীয়সকলে ইনায়তপুৰত বাস কৰি আছে আৰু তেওঁ প্ৰায়ে তেওঁৰ আত্মীয়সকলক সাক্ষাৎ কৰিছিল। এজাহাৰকাৰীৰ এই দাবীটো তেওঁক জেৰা কৰাৰ সময়ত পদকীয়া পক্ষই নুই কৰিব নোৱাৰিলে। এবাৰ দাবীটো সঁচা বুলি বিশ্বাস কৰাৰ লগে লগে তৎক্ষণাত এইটো স্পষ্ট হৈ পৰে যে তেওঁ আপীলকাৰী আৰু আনসকলক চিনি পাব।

তদন্তকাৰী বিষয়াৰ সাক্ষ্যই সূচায় যে এজাহাৰ পঢ়াৰ পিছত তেওঁ সাক্ষী ভুৰেলাল বা পোহন সিঙে অভিযুক্ত ব্যক্তিসকলক তেওঁলোকৰ মুখ আৰু নামৰ দ্বাৰা চিনি নাপাব বুলি তেওঁ অনুভৱ কৰা নাছিল আৰু সেয়েহে, চিনাক্তকৰণ পৰীক্ষাৰ পেৰেড অনুষ্ঠিত কৰাটো প্ৰয়োজনীয় আছিল। তদুপৰি, আপীলকাৰী বা কোনো অভিযুক্তই চিনাক্তকৰণ পেৰেড অনুষ্ঠিত কৰাৰ বাবে দাবী জনোৱাটো আৰু উক্ত অনুৰোধটো তদন্তকাৰী বিষয়া বা বিদ্বান দণ্ডাধীশে নাকচ কৰাটো পদকীয়া পক্ষই সন্তোষজনকভাৱে প্ৰমাণ কৰিব নোৱাৰিলে। গোচৰৰ তথ্য অনুসৰি, আপীলকাৰীৰ পৰিচয় একেবাৰে বিতৰ্কিত নহয় আৰু সাক্ষীসকলে তেওঁক চিনাক্ত নকৰাৰ ভিত্তিত তেওঁ কোনো সুবিধা লাভৰ অধিকাৰী নহয়।

(১১) গতিকে আপীলকাৰীয়ে মৃতকজনৰ ওপৰত তমঞ্চাৰেৰে গুলীচালনা কৰাৰ ফলত তেওঁৰ মৃত্যু হৈছিল বুলি ফৰিয়াদী পক্ষই কৰা গোচৰটো সন্তোষজনকভাৱে প্ৰতিপন্ন হৈছে। সেয়েহে, ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ৰ অধীনত আপীলকাৰীৰ দোষী সাব্যস্তকৰণক ভুল বা অবৈধ বুলি গণ্য কৰিব নোৱাৰি, যাৰ বাবে এই ন্যায়ালয়ে ইয়াত হস্তক্ষেপ কৰিব নোৱাৰে। এই আপীলৰ কোনো গুৰুত্ব নাই আৰু সেয়েহে এয়া খাৰিজ কৰাৰ যোগ্য। সেইমৰ্মে এই আপীল খাৰিজ কৰা হ'ল।

আপীল খাৰিজ কৰা হ'ল।

অনুবাদকঃ শ্ৰী প্ৰবীণ হাজৰিকা, অধিবক্তা

পুণৰীক্ষণঃ দিতিমণি গগৈ, স্পেচিয়ে অফিচাৰ

*Disclaimer- The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.*

*“স্থানীয় ভাষা লৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষে ত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।”*